OFFICE OF THE
**All Assam Tanzim-Madaris Qawmiya**
*(Board of the non-govt. Madrassa Board)*
P.O. Nilbagan - 782 445, Dist. Nagaon, Assam (India)
Regd. RS/NG/254/108
ESTD. 1955

কাৰ্য্যালয় ☎ : (03674) 262448
**সদৌ অসম তনজিম মাদাৰিছ কৌমিয়া**
পোঃ নীলবাগান-৭৮২ ৪৪৫, জিলাঃ নগাঁও ঃ অসম ঃ ভাৰত
দূৰভাষ ঃ (০৩৬৭৪) ২৬২৪৪৮
স্থাপিত ঃ ১৯৫৫ ইং

دفتر آل آسام تنظیم مدارس قومیہ
نیل باگان۔ نوگاؤں۔ آسام

Ref.................................. Date..................................

## কাৰ্যকৰী কমিটিৰ প্ৰস্তাৱ সমূহ

আজি দিনাংক ২৫ ৰবিউল আওৱাল ১৪৪১ হিজৰী মুতাবিক ২৩ নৱেম্বৰ ২০১৯ ইংৰাজী শনিবাৰে আবেলি ৩ বজাত সদৌ অসম তনজিম মাদাৰিছে কৌমীয়া, নীলবাগান, হোজাই (অসম) কাৰ্যালয়ত জনাব আলহাজ হজৰত মৌলানা বদৰ উদ্দিন আজমল আল-ক্বাছিমী ছাহাবৰ সভাপতিত্বত কাৰ্যকৰী কমিটিৰ এখন বৈঠক অনুষ্ঠিত হয়। মুফ্‌তী মুহিউদ্দিন ছাহাবৰ তিলায়তে কালাম পাকৰ দ্বাৰা বৈঠকৰ আৰম্ভনি হয় আৰু সকলোৰে ঐক্যমতত নিম্নলিখিত প্ৰস্তাৱসমূহ গ্ৰহণ কৰা হয়।

**২নং প্ৰস্তাৱ (শোক প্ৰস্তাৱ)**- আজিৰ কাৰ্যকৰী কমিটিয়ে ভাৰতবৰ্ষ আৰু বহিঃৰাষ্ট্ৰৰ উচ্চঃস্থৰীয় আৰু বৰেণ্য ব্যক্তিসকলৰ ইন্তেকালত/মহা শোক প্ৰকাশ কৰি মৃতকৰ মাগফিৰাত আৰু আখীৰাতত উচ্চ মৰ্যাদালাভৰ বাবে দোৱা কৰে যে, আল্লাহ তাআ'লাই তেওঁ লোকক জান্নাতুল ফিৰদাউচত অতি উচ্চ মৰ্যাদাত সমাসীন কৰক আৰু তেওঁলোকৰ নিকটাত্মীয়ক ধৈৰ্য্যধাৰণ কৰিবলৈ তৌফিক দান কৰক! আমীন-

**মৃত্যুবৰণ কৰা ব্যক্তিসকলৰ নাম**-(১)হজৰত মৌলানা জামাল উদ্দিন ছাহাব(ৰঃ) অধ্যাপক দাৰুল উলুম দেওবন্দ (২)হজৰত মৌলানা শ্বেইখ তালহা ছাহাব(ৰঃ) ছাহাৰাণপুৰ (৩)হজৰত মৌলানা শ্বেইখ ফখৰুদ্দিন ছাহাব(ৰঃ)দ্বিনী তা'লিমী ব'ৰ্ড (৪)হজৰত মৌলানা ইমতিয়াজ উদ্দিন চাহাব(ৰঃ) কাঠপাৰা (৫)জনাব জালাল উদ্দিন ছাহাব(ৰঃ) কৰিমগঞ্জ (৬)হাফিজ আলাউদ্দিন ছাহাব(ৰঃ) উপ-সভাপতি দাৰুল উলুম বাছকান্দি (৭)হজৰত মৌলানা গোলাম নবী ছাহাব(ৰঃ) দাৰুল উলুম ৰাকফ দেওবন্দ (৮)হজৰত মৌলানা আব্দুল মান্নান ছাহাব(ৰঃ) হাইলাকান্দি (৯)হজৰত মৌলানা শ্বেইখ ইউছুফ মুতালা ছাহাব(ৰঃ) লণ্ডন (১০)জনাব ৰিজৱান ছাহাব(ৰঃ) মুম্বাই (১১)মাষ্টাৰ জিয়াউদ্দিন ছাহাব(ৰঃ) মুহতামিম কাছিমুল উলুম মৌড়ঙ্গা মাদ্ৰাছা (১২)হাফিজ জশিম উদ্দিন(ৰঃ) কাছাড় ছাত্ৰ মাজাহিৰুল উলুম ছাহাৰাণপুৰ (১৩)হজৰত মৌলানা আব্দুল ওৱাৰিছ ছাহাব(ৰঃ) দ্বিনি তালিমী ব'ৰ্ড (১৪)জনাব আলহাজ দিলৱাৰ হুছেইন ছাহাব(ৰঃ) বালাপাৰা ।

**৩নং প্ৰস্তাৱ**- আজিৰ বৈঠকত বিগত ২৬ জুমাদাল উলা ১৪৪০ হিজৰী মুতাবিক ২ ফেব্ৰুৱাৰী ২০১৯ ইংৰাজীত অনুষ্ঠিত কাৰ্যকৰী সভাত গৃহীত প্ৰস্তাৱসমূহ পাঠ কৰি শুনোৱা হয়। লগতে উক্ত প্ৰস্তাৱসমূহ বাস্তৱায়িত কৰাৰ সংক্ৰান্তীয় ৰিপ'ৰ্টো দাঙি ধৰা হয়। সভাই উক্ত প্ৰস্তাৱ সমূহক বাস্তৱায়িত হোৱাৰ ওপৰত পৰ্যালোচনা কৰি তাৰ অনুমোদন জনায়।

**৪নং প্ৰস্তাৱ**- আজিৰ সভাত জনাব সাধাৰণ সম্পাদক মহোদয়ে বিগত কাৰ্যকালত কামৰ প্ৰতিবেদন পাঠকৰি শুনায়। সভাই তনজিমৰ তৰফৰপৰা সম্পাদন কৰা সকলো কামৰ ওপৰ আস্থা প্ৰকাশ কৰি প্ৰতিবেদনখন অনুমোদন কৰে।

**৫নং প্ৰস্তাৱ**- পৰীক্ষা সমিতিৰ অনুৰোধক সন্মান জনাই আজিৰ সভাই এই প্ৰস্তাৱ গ্ৰহণ কৰে যে বৃত্তি পৰীক্ষাত আগবেলা আৰু ভাটিবেলাৰ প্ৰত্যেক বৈঠক ২ ঘন্টা ৩০ মিনিটকৈ হ'ব, ওদ্রুপ প্ৰত্যেক কিতাপৰ প্ৰশ্ন পাঁচটাকৈ হ'ব আৰু যিকোনো তিনিটাৰ উত্তৰ দিব লাগিব।

**৬নং প্ৰস্তাৱ**- নতুন মাদ্ৰাছা অন্তৰ্ভুক্তিকৰণ সন্দৰ্ভত বিস্তাৰিত আলোচনাৰ অন্তত এই সিদ্ধান্তও উপনীও হয় যে, (ক) তনজিমত অন্তৰ্ভুক্তিকৰণৰ বাবে যি চৰ্তাৱলী পূৰ্বৰে পৰা নিৰ্দ্ধাৰিত আছে তদানুযায়ী যি ৬৭ খন মাদ্ৰাছা চৰ্ত অনুযায়ী আছে কেৱল সেইবিলাককহে চলিত বছৰত অন্তৰ্ভুক্ত কৰা হ'ব।



Scanned with CamScanner

(খ) তনজিমৰ সৈতে জড়িত নতুন-পুৰাণি সকলো মাদ্ৰাছাৰ চৰকাৰী পঞ্জীয়ন বাধ্যতামূলক কৰা হওক, যিবিলাক মাদ্ৰাছা এতিয়ালৈকে পঞ্জীয়নকৃত হোৱা নাই সেই বিলাকে আগন্তক তিনি মাহৰ ভিতৰত পঞ্জীয়নৰ আবেদন আৰু ইয়াৰ ৰছিদৰ প্ৰতিলিপি কাৰ্যালয়ত জমা দিব। পঞ্জীয়ন লাভ কৰাৰ পিছত ইয়াৰ প্ৰামাণিক প্ৰতিলিপি কাৰ্যালয়ত জমা কৰিব।

(গ) যি মাদ্ৰাছা প্ৰথমৰ পৰাই পঞ্জীয়নকৃত সেই বিলাকেও পঞ্জীয়ন প্ৰমানপত্ৰৰ প্ৰতিলিপি জমা কৰিব।

(ঘ) মাদ্ৰাছাত অধ্যয়নত ছাত্ৰৰ সংখ্যা অনুপাতে শ্ৰেণী কোঠালী, থকাঠাই, লেট্ৰিন-বাথৰুম, থকা-খোৱাৰ উন্নতমানৰ পৰিৱেশ ইত্যাদি যাৱতীয় প্ৰয়োজনীয় উপকৰণৰ পৰিমাণ সম্বলিত নীতিমালা প্ৰস্তুত কৰি সকলো মাদ্ৰাছাক দিয়া হওক আৰু ইয়াক পালন কৰিবলৈ জোৰ দিয়া হওক, উল্লেখিত নীতিমালা প্ৰস্তুত কৰিবলৈ মৌঃ আব্দুন নুৰ নগাওঁ আৰু মৌঃ নুৰুল আমীন ক্বাছিমীক দায়িত্বভাৰ অৰ্পন কৰা হয়।

(ঙ) কিছুসংখ্যক মাদ্ৰাছা কৰ্তৃপক্ষই চান্দা-বৰঙণী সংগ্ৰহ কৰিবলৈ গৈ অত্যন্ত লজ্জাজনক পন্থা অৱলম্বন কৰে। এনেধৰণৰ কামৰ পৰা মাদ্ৰাছা সমূহক বিৰত ৰাখিবলৈ এই সিদ্ধান্ত লোৱা হয় যে, কোনো মাদ্ৰাছাই চান্দা সংগ্ৰহ কৰাৰ বাবে ছাত্ৰক ব্যৱহাৰ কৰিব নোৱাৰিব, সমান্তৰালকৈ মাইক লগাই হাই-উৰুমি কৰি মানুহক বিৰক্ত কৰাৰ পন্থা অৱলম্বন কৰিব নোৱাৰিব

যি মাদ্ৰাছা এনেধৰণৰ কামত লিপ্ত হ'ব সেই মাদ্ৰাছাৰ অন্তৰ্ভুক্তি বাতিল কৰি দিয়া হ'ব।

**৭নং প্ৰস্তাৱ-** আজিৰ সভাত আগন্তুক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰাৰ তাৰিখৰ বিষয়ে আলোচনাৰ অন্তত এই সিদ্ধান্ত লোৱা হয় যে, অহা ৮ জুমাদাল উলা ১৪৪১ হিজৰী মুতাবিক ৪ জানুৱাৰী শনিবাৰে কাৰ্যনিৰ্বাহক কমিটিৰ বৈঠক অনুষ্ঠিত কৰা হ'ব। আজিৰ কাৰ্যকৰী কমিটিৰ বৈঠকক কামনিৰ্বাহক কমিটিৰ বৈঠকৰ সৈতে হ'ব লগা কাৰ্যকৰী কমিটিৰ বৈঠক গণ্য কৰা হ'ব। সেয়েহে পৃথকভাৱে দ্বিতীয় কাৰ্যকৰী কমিটিৰ বৈঠক অনুষ্ঠিত নহয়।

**৮নং প্ৰস্তাৱ**-পৰিদৰ্শণৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি মাদ্ৰাছাসমূহৰ তালিকা প্ৰস্তুত কৰা হয়। কাৰণ মাদ্ৰাছাসমূহৰ তালিকাক দেশ আৰু বিদেশত অত্যন্ত গুৰুত্ব সহকাৰে চোৱা হয় গতিকে ইয়াৰ গুৰুত্বক বহাল ৰখাৰ উদ্দেশ্যে আজিৰ সভাই এই সিদ্ধান্তত উপনীত হয় যে, সদ্যহতে হোৱা পৰিদৰ্শণত ৰৈ যোৱা ত্ৰুটি-বিচ্যুতি সমূহ দূৰ কৰি তনজিমৰ ১০০ শতাংশ নিয়মানুসাৰে পৰিদৰ্শন কৰা হ'ব। ছুটীৰ দিনবোৰত আৰু পাঠদানৰ সময়ৰ বাহিৰে কদাপিও যাতে পৰিদৰ্শন কৰা নহয়। লগতে শেষত কাৰ্যকৰী সদস্য যি সেই এলেকাৰ অধিবাসী তেওঁৰ দ্বাৰা সত্যায়ন কৰাব লাগিব।

**৯নং প্ৰস্তাৱ-** তন্‌জিমৰ সৈতে জড়িত মাদ্ৰাছাসমূহত জেনেৰেল শিক্ষাক অধিক উপযোগী বনাবলৈ আগন্তুক শিক্ষাবৰ্ষৰ পৰা পাঠ্যপুথি নিৰ্বাচনৰ উদ্দেশ্যে CBSE/NCERT ৰ কিতাপ সমূহক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ বাবে নিম্নলিখিত ব্যক্তিবৰ্গক লৈ কাৰ্যকৰী কমিটিৰ প্ৰস্তাৱ অনুযায়ী এখন উপ-সমিতি গঠন কৰা হয়-

**উপ সমিতিৰ সদস্যবৃন্দৰ নাম**

১। হজৰত মৌলানা পাৰভেজ আলম ছাহাব, শিক্ষক জামীয়া ইছলামীয়া জালালীয়া হোজাই

২। জনাব মাষ্টাৰ হুছাইন আহমদ ছাহাব, অধ্যক্ষ মৰ্কজ একাডেমী

৩। জনাব সাধাৰণ সম্পাদক ছাহাব

**১০নং প্ৰস্তাৱ-** ২১ ৰবিউল আওৱাল ১৪৪১ হিজৰী মুতাবিক ১৯ নৱেম্বৰ ২০১৯ ইংৰাজীত অনুষ্ঠিত হোৱা বানাত কমিশ্বনৰ মিটিঙত বানাত মাদ্ৰাছাৰ বাবে নিৰ্দ্ধাৰিত চৰ্তাৱলী আজিৰ সভাত উপস্থাপন কৰা হয়, সভাই উক্ত চৰ্তসমূহক সমৰ্থন আৰু অনুমোদন জনাই প্ৰস্তাৱ গ্ৰহণ কৰে।

**১১নং প্ৰস্তাৱ-** আজিৰ সভাই চলিত বৰ্ষত অনুষ্ঠিত হ'ব লগা "দাখিলি মুছাবাকাতুল কুৰআন" ৰ বিষয়ে আলোচনাৰ অন্তত এই সিদ্ধান্তত উপনীত হয় যে, যিহেতু এই বছৰ শৈক্ষিক দিন একেবাৰে কম লগতে বছৰেকীয়া পৰীক্ষাও একেবাৰে সমাগত সেয়েহে চলিত বৰ্ষৰ বাবে "দাখিলি মুছাবাকাতুল কুৰআন" স্থগিত ৰখা হয়। আগন্তক বৰ্ষত নিয়ম অনুযায়ী অনুষ্ঠিত কৰা হ'ব।

**১২নং প্ৰস্তাৱ-** মক্তবৰ শিক্ষা ব্যৱস্থা জাতিৰ বহুমূলীয়া সম্পদ। আমাৰ মুৰব্বী সকলৰ জীৱনপণ চেষ্টা আৰু



Scanned with CamScanner

নিঃস্বাৰ্থ ত্যাগৰ বৰ্কতত প্ৰতিষ্ঠিত এই পদ্ধতি দিনে দিনে নিম্নগামীতাৰ চিকাৰ হৈ আছে। মক্তবত শিক্ষাৰ যি মানদণ্ড হ'ব লাগিছিল সেয়া সম্পূৰ্ণ লুপ্ত, ইয়াৰ বিভিন্ন কাৰণৰ মাজত মৌলিক কাৰণ হ'ল- নিয়ম কানুনৰ ভিত্তিত মক্তব সমূহৰ নিৰীক্ষণ আৰু পৰিদৰ্শণ নোহোৱা। এই সম্পৰ্কে পৰ্যালোচনা আৰু অনুসন্ধানৰ অন্তত এই সিদ্ধান্তত উপনীত হয় যে, প্ৰত্যেক মাদ্ৰাছা কৰ্তৃপক্ষই নিজৰ নিজৰ মাদ্ৰাছাৰ এলেকাত থকা মক্তব বিলাকৰ তালিকা প্ৰস্তুত কৰি সেইবিলাকৰ পৰিদৰ্শণ কৰাৰ ব্যৱস্থা কৰায় যাতে উম্মতৰ কণ-কণ মইনাঁহতক এশ শতাংশ দ্বিনী শিক্ষাৰে আলোকিত কৰা অতি সহজে সম্ভৱ পৰ হয়।

সদৌ শেষত হজৰত মৌলানা শ্বেইখ আব্দুল মাজিদ ছাহাবৰ দোৱাৰ দ্বাৰা সভাভংগ হয়।



Scanned with CamScanner